# দিছপুৰ মহাবিদ্যালয়ত কুইজ-তৰ্ক প্ৰতিযোগিতাৰ আয়োজন

**প্ৰতিদিন বিশেষ সেৱা, গুৱাহাটী, ২৩ ছেপ্টেম্বৰ ঃ** মহানগৰীৰ দিছপুৰ মহাবিদ্যালয়ে অহা ৩০ অক্টোবৰত ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য ন্যাসৰ সহযোগত দ্বিতীয় বাৰ্ষিক ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য সোঁৱৰণী উত্তৰ-পূব আন্তঃ দিছপুৰ মহাবিদ্যালয়, বিশ্ববিদ্যালয় তৰ্ক প্ৰতিযোগিতাৰ আয়োজন কৰিছে। ইয়াৰ লগতে ৩১ অক্টোবৰত দিছপুৰ মহাবিদ্যালয়ৰ উদ্যোগত আৰু সুধাকণ্ঠ ড° ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসৰ সহযোগত সুধাকণ্ঠ ড° ভূপেন হাজৰিকা জন্ম-শতবাৰ্ষিকী কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। মহাবিদ্যালয়ৰ প্ৰতিমা বৰুৱা পাণ্ডে প্ৰেক্ষাগৃহত এই অনুষ্ঠান অনুষ্ঠিত হ'ব। আয়োজক সমিতিৰ সভাপতি তথা দিছপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাৰ নেতৃত্বত হ'বলগীয়া তৰ্ক আৰু কুইজ প্ৰতিযোগিতাৰ উপ-সভাপতি ইন্দ্ৰাণী চৌধুৰী মহন্ত, কাৰ্যকৰী সভাপতি ড° শশীমোহন দাস আৰু সাধাৰণ সম্পাদক সুতীব্ৰ মালাকাৰ। প্ৰতিযোগিতা দুখনৰ ভিতৰত তৰ্ক প্ৰতিযোগিতা পৰিচালনা কৰিব অসমীয়া বিভাগৰ অধ্যাপক বৰ্ণালী বৰাই আৰু কুইজ প্ৰতিযোগিতাৰ তদাৰক কৰিব বুৰঞ্জী বিভাগৰ অধ্যাপক চেৰলিন ইংজাইপয়ে। দুয়োটা অনুষ্ঠানতে প্ৰতিখন মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ পৰা একোটিকৈ দলে অংশগ্ৰহণ কৰিব পাৰিব। দূৰ আৰু মুক্ত বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দলে পঞ্জীয়ক, সঞ্চালক, ডীন, ছাত্ৰ কল্যাণ বিভাগৰ পৰা আনুষ্ঠানিক অনুমতি পত্ৰ লৈ অংশগ্ৰহণ কৰিব পাৰিব। একাধিক বিদ্যায়তন থকা বিশ্ববিদ্যালয়ৰ পৰাও এটাহে দলে অংশগ্ৰহণ কৰিব পাৰিব। তৰ্ক প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ দলৰ বাবে ৩০ হেজাৰ টকা, দ্বিতীয় শ্ৰেষ্ঠ দলৰ বাবে ২০ হেজাৰ টকা, শ্ৰেষ্ঠ তৰ্ক প্ৰতিযোগীৰ বাবে ১৫ হেজাৰ টকা আৰু দ্বিতীয় শ্ৰেষ্ঠ তৰ্ক প্ৰতিযোগীৰ বাবে ১০ হেজাৰ টকা পুৰস্কাৰ হিচাপে নিৰ্ধাৰণ কৰা হৈছে। কুইজ প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ দলক ৩০ হেজাৰ টকা আৰু দ্বিতীয় শ্ৰেষ্ঠ দলক ২০ হেজাৰ টকা পুৰস্কাৰ হিচাপে প্ৰদান কৰা হ'ব। প্ৰতিটো দলে ৫০০ টকা মাচুল দি নাম পঞ্জীয়ন কৰিব লাগিব। প্ৰতিযোগিতাৰ দিনা পঞ্জীয়ন প্ৰতিযোগিতা থলীতে কৰা হ'ব। অধিক তথ্যৰ বাবে www.dispurcollege.ac.in অথবা ৬০০২১-১৮০২০, ৭০০২৪-১৪৫২৩ নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোক্তাসকলে আহ্বান জনাইছে।